**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-June-2026 **Time :** 0755 Hrs.

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত কালি নতুন দিল্লীৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅʼ আৰু কেন্দ্ৰীয় কেন্দ্ৰীয় পেট্ৰʼলিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰী উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই বৈঠকত কয়, যে এই ঐতিহাসিক চুক্তিৰ ফলত অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলৰ এহেজাৰ বৰ্গ কিলোমিটাৰতকৈ অধিক এলেকাত থকা তেল, গেছ আৰু খনিজ সম্পদৰ অন্বেষণ তথা উৎপাদনৰ নতুন দুৱাৰ মুকলি হʼব। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক মূল চালিকাশক্তি হিচাপে লৈ ভাৰতবৰ্ষক শক্তিখণ্ডত স্বাৱলম্বী কৰি তোলাৰ যাত্ৰাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথ বাধা হৈ থকা পুৰণি তথা জটিল সমস্যাসমূহ সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ আৰু খনিজ সম্পদৰ অন্বেষণৰ চুক্তিখনেই ইয়াৰ প্ৰমাণ। চুক্তি সম্পাদনাৰ লগে লগে উত্তৰ-পূব অৰ্থাৎ অষ্টলক্ষ্মী অঞ্চলৰ বাবে নতুন যুগৰ আৰম্ভণি ঘটিল বুলি তেওঁ মন্তব্য কৰে।

বাইট

উল্লেখযোগ্য যে অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ বৃহৎ ভাণ্ডাৰ আছে বুলি অনুমান কৰা হৈছে। অঞ্চলটোত মূল্যবান হাইড্ৰʼ কাৰ্বনৰো ভাণ্ডাৰ আছে বুলি জনা যায়। দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনীয়া সীমা বিবাদৰ বাবে এতিয়ালৈকে এই সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পৰা হোৱা নাই। প্ৰস্তাৱিত চুক্তিখনে অৰ্থনৈতিক উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰি দুয়োখন ৰাজ্যকে একেলগে কাম কৰাত সহায় কৰিব।

০০০০০০০

নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে অহা ৫ বছৰত প্ৰদান কৰিবলগীয়া ২ লাখ নিযুক্তিৰ ভিতৰত ৪০ শতাংশ নিযুক্তি শিক্ষা খণ্ডত হʼব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ আগত কয়, যে অনাগত দিনত শিক্ষকতাৰ বাবে ডি এল এ, বি এড আৰু টেট পৰীক্ষা উত্তীৰ্ণসকলৰ বাবে ভাল খবৰ আহি আছে।

স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বেগৰ ওজনক লৈ দীৰ্ঘদিনৰ পৰা চলি অহা আপত্তি-অভিযোগ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জী এনেদৰে প্ৰস্তুত কৰা হয়, যাতে শিক্ষাৰ্থীয়ে সকলোখিনি কিতাপ স্কুললৈ নিবলগীয়া নহয়। শৈক্ষিক দিনপঞ্জীখন প্ৰতিদিনে কম কিতাপ লৈ যোৱাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি প্ৰস্তুত কৰা হয় বুলি উল্লেখ কৰি তেওঁ কয়, যে বিদ্যাৰ্থীয়ে প্ৰতিদিনে বেলেগ বেলেগ বিষয়ৰ পাঠ্যপুথি বিদ্যালয়লৈ নিব লাগে। তেওঁ কয়, যে শৈক্ষিক দিনপঞ্জী অনুসৰি যিকেইটা বিষয়ৰ পাঠদান থাকে, সেই কিতাপসমূহহে ছাত্ৰ-ছাত্ৰীয়ে নিব লাগে। শিক্ষাৰ্থীৰ বিদ্যালয়ৰ বেগৰ ওজনৰ ওপৰত নিৰ্ভৰ কৰিয়েই শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ অহা-যোৱাৰ সুবিধাৰ বাবে এতিয়াৰেপৰা নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীকো একোখনকৈ চাইকেল প্ৰদান কৰা হʼব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। কালিৰ দিনটোত কেৱল দুজন সাক্ষীৰহে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। যোৱা বুধবাৰে সময়ৰ

অভাবৰ বাবে সাক্ষ্য প্ৰদান কৰিব নোৱাৰা ৰাজা অসম আৰু বিৰিঞ্চি বৰাই কালি পুৱাৰ ভাগতে আদালতত সাক্ষ্য প্ৰদান কৰে। আদালতত কালি সাক্ষ্য প্ৰদানৰ বাবে অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা পলাশ ৰঞ্জন বৰুৱা, আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মাৰ লগতে ৰিংকু নাথ আৰু বিষ্ণু শৰ্মা নামৰ লোক দুজন উপস্থিত থাকে যদিও সময়ৰ অভাবৰ বাবে তেওঁলোকে সাক্ষ্য প্ৰদান কৰিব নোৱাৰিবলে।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কালি জিলাখনৰ জেইল ৰোডত নিৰ্মাণৰত চিটি হাস্পটালৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি প্ৰকল্পটোৰ অগ্ৰগতি আৰু গুণগত মান পৰ্যৱেক্ষণ কৰে। বিশ্ব বেংকৰ অধীনৰ এচিষ্ট প্ৰকল্পৰ সহযোগত নিৰ্মাণ কৰা এই চিকিৎসালয়খনৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে ৰোগীৰ বাবে সকলো ধৰণৰ উন্নত সা-সুবিধা পোৱা যাব। পৰিদৰ্শনৰ সময়ত আয়ুক্তগৰাকীয়ে বাকী থকা কাম সময়মতে সম্পূৰ্ণ কৰিবলৈ আৰু নিৰ্ধাৰিত মান বজাই ৰাখিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০০

**সমাপ্ত**